অধ্যায় ৯ ঃ জন সম্পর্কৰ বিষয়ে ধাৰণা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ জন সম্পর্ক ৰক্ষাৰ ধৰণ / প্ৰকাৰ
৯.৪ জন সম্পর্কৰ সংজ্ঞা
৯.৫ জন সম্পর্কৰ লক্ষ্য/ উদ্দেশ্য
৯.৬ জন সম্পর্কৰ সুযোগ/ উদ্দেশ্য
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্ৰগতিৰ খতিয়ান
৯.১০ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জন সম্পর্ক ৰক্ষাৰ প্ৰকাৰবোৰক প্ৰণালীবদ্ধ ভাবে বৰ্ণনা কৰিব পাৰিব
- জন সম্পর্কৰ সংজ্ঞাক ব্যাখ্যা কৰিব পাৰিব
- জন সম্পর্ক ৰক্ষাৰ উদ্যোগটোত থকা সুযোগ সুবিধাবোৰৰ সৈতে পৰিচিত হ'ব
- জন সম্পর্কৰ বিভিন্ন লক্ষ্যবোৰৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।

৯.২ পৰিচয়

বৰ্তমান পৃথিৱীখনৰ কেউপিনে একোটা খবৰ বা তথ্য মুহূৰ্ততে বিয়পি পৰে আৰু পূৰ্বৰ তুলনাত মানুহে কোনবোৰ খবৰ, কেনেকৈ গ্ৰহণ কৰিব লাগে, সেই বিষয়ে সচেতন হৈ পৰিছে। সেয়া হৈছে, উপযুক্ত আধুনিক ব্যৱস্থাৰে তেওঁলোকৰ বাতৰিবোৰে যাত সত্যক প্ৰতিফলিত কৰিব পাৰে; এই বাতৰিবোৰ সহজ-সৰল, পোনপটীয়া আৰু স্বচ্ছ গুণ সম্পন্ন হ'লেহে ৰাইজে তাক সন্মানৰ চকুৰে চাব আৰু বিশ্বাসযোগ্য বুলি অনুভৱ কৰিব। শ্ৰেষ্ঠ, সুন্দৰ সম্পর্ক ৰক্ষা ব্যৱস্থাই মানুহৰ মনলৈ এনে কে অনুভৱৰ উদ্ৰেক কৰে যে এই বাতৰিটো তেওঁলোকৰ বাবেই দিয়া হৈছে আৰু জন সম্পর্কৰক্ষীয়েও বিচৰা ধৰণে 'প্ৰচাৰ' পাবলৈ সক্ষম হ'ব। এনেকৈয়ে সম্পর্কৰক্ষীসকলে ৰাইজৰ হৃদয় আৰু মনক স্পৰ্শ কৰাৰ ক্ষেত্ৰত কৃতকাৰ্য হ'বলৈ সক্ষম হৈ উঠিব পাৰিব।

জনসম্পর্কৰক্ষী বিষয়টো পৃথিৱীৰ মানৱ জাতিৰ সমানেই পুৰণি। জন সম্পর্কৰক্ষী ব্যৱস্থাটোক অতীতৰ পৰাই ব্যৱহাৰ কৰি অহা হৈছে আৰু যি কোনো লোকেই এই ক্ষেত্ৰত খবৰ বাতৰি

আহৰণ কৰিব পাৰে; এই ব্যৱস্থাটোৱে বিভিন্ন উদ্যোগত কাম কৰে আৰু প্ৰাথমিক ৰণনীতি আৰু কলা-কৌশলৰ ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষা চলাব পাৰে। বৰ্তমান চৰকাৰ, শিক্ষা ব্যৱসায়-বাণিজ্য আৰু ঔষধ প্ৰয়োগ আদিৰ ক্ষেত্ৰত জন সম্পৰ্কৰক্ষা বিষয়টো অবিছিন্ন ভাৱে জড়িত হৈ আছে।

এই অধ্যায়টোত জনসম্পৰ্ক ব্যৱস্থাটোৰ বিষয়ে প্ৰাথমিক ধাৰণাৰ ওপৰত গুৰুত্ব দিয়া হ'ব। বিশেষকৈ, ইয়াৰ সংজ্ঞা, প্ৰকাৰ বা ধৰণ, লক্ষ্য আৰু জন সম্পৰ্কৰক্ষা ব্যৱস্থাৰ সুযোগ সুবিধাবোৰৰ ওপৰতেই গুৰুত্ব প্ৰদান কৰা হ'ব।

৯.৩ জন সম্পৰ্কৰ ধৰণ/ প্ৰকাৰ

জন সম্পৰ্কনো কি ? কিছুমানে সঘনে দিয়া উত্তৰ হ'ল-তেওঁলোকৰ নাম (সংস্থা গ্ৰাহক অথবা নিজৰ) ছপা, অনাতাঁৰ বা দূৰদৰ্শন অথবা অন লাইন মাধ্যমত প্ৰচাৰ পোৱা। আন কিছুমানৰ মতে জন সম্পৰ্ক ব্যৱস্থাটো হৈছে এনে ধৰণৰ প্ৰচাৰ যি ব্ৰেণ্ড পৰিচিতি নতুবা বিক্ৰী বৃদ্ধিৰ জৰিয়তে ৰাইজক আকৰ্ষিত কৰা। আনহাতে, চৰকাৰে ইয়াক, বাতৰিবোৰক প্ৰচাৰ কৰাৰ কাৰণে এটা আহিলা হিচাপে গণ্য কৰিব পাৰে। এই পদ্ধতিত, বাতৰি কাকতৰ সংবাদবোৰ ইঞ্চিৰ হিচাপত আৰু অনাঁতাৰ তথা দূৰদৰ্শনৰ বিজ্ঞাপনৰ কাৰণে লোৱা সময়বোৰৰ হিচাপ কৰি জন সম্পকৰ ফলাফল নিৰ্দ্ধাৰণ কৰা হয়। জন সম্পৰ্কৰক্ষীৰ প্ৰতিদিনৰ কাৰ্য-কলাপ সম্পৰ্কে এইবোৰ বিৱৰণ হ'ব পাৰে, কিন্তু এইবোৰে জন সম্পৰ্ক ৰক্ষাৰ পদ্ধতিটোৰ কোনো সংজ্ঞা নিদিয়ে, "জনসম্পৰ্ক" ব্যৱস্থাটোৰ বিষয়ে কোনো ব্যাখ্যা নিদিয়ে।

জন সম্পৰ্ক হ'ল এটা পদ্ধতি, যাৰ সুদূৰ প্ৰসাৰিত দিশ কিছুমান আছে। ইয়াৰ সৈতে গৱেষণা আৰু বিশ্লেষণ, নীতি গঠন, সংযোগ, ৰণনীতি বা আঁচনিৰ বিকাশৰ লগতে অসংখ্য জনতাৰ সহাঁৰি জড়িত হৈ আছে। জন সম্পৰ্ক বজাই ৰখাৰ মূল উদ্দেশ্যটো হ'ল দুই মুখী যোগাযোগ স্থাপন কৰা; তাৰে প্ৰথমটো হৈছে পৰস্পৰ বিৰোধী মতামতবোৰক সমাধান কৰিবলৈ এখন চিনাকি ক্ষেত্ৰ- অথবা পাৰস্পৰিক বুজা-পৰা কৰিবলৈ এটা অঞ্চল বিচাৰি উলিওৱা দ্বিতীয়টো হৈছে, সত্য জ্ঞান আৰু সম্পূৰ্ণ খবৰৰ ভিত্তিত এক বুজা-পৰা স্থাপন কৰা এটা ভাল জন সম্পৰ্কক উন্নত কৰিবলৈ চলোৱা কাম-কাজবোৰ, অংশীদাৰসকলৰ সংখ্যা আৰু তেওঁলোকৰ আচৰণ অনুসৰি কম-বিছে পৰিমাণে সক্ৰিয় হৈ থাকিব পাৰে কিন্তু ৰণ-নীতি আৰু পদ্ধতিবোৰ সদায় একে থাকে, সেয়া লাগিলে আৰ্ন্তজাতিক বুজা-পৰাত প্ৰভাৱ পেলাব পৰাকৈ অথবা কোনো সংস্থা আৰু ইয়াৰ অংশীদাৰসকল যিসকল গ্ৰাহক প্ৰতিনিধি আৰু কৰ্মচাৰীখিনিৰেও গঠিত হ'ব পাৰে, সেই সকলোৰে মাজৰ সম্পৰ্ক উন্নত কৰা ক্ষেত্ৰতো প্ৰমোজ্য হ'ব পাৰে, সেই কাৰণে সংযোগ বজাই ৰখাৰ ক্ষেত্ৰত জন সম্পৰ্কই কলা আৰু বিজ্ঞান উভয়ৰে সহায় লয় আৰু সুদীৰ্ঘ কালৰ বাবে এক ধনাত্মক দিশ গঢ়ি তাক স্থায়ী কৰাৰ বাবে জন সম্পৰ্ক হৈছে এক চাবি-কাঠি।

জনসম্পৰ্কই এজন পুৰুষ অথবা মহিলাই প্ৰতিনিধিত্ব কৰা এটা সংস্থা আৰু সংস্থাৰ সৈতে জড়িত থকা ব্যক্তিসকলৰ মাজৰ মাধ্যম হিচাপে সেৱা আগবঢ়ায়। সংস্থাৰ গ্ৰাহকসকল অথবা

সংস্থাৰ পৰিচালক আৰু সকলো অংশীদাৰৰ কাৰণে বিভিন্ন মাধ্যমৰ পৰা অহা বিভিন্ন বার্তাবোৰৰ উপদেষ্টা হিচাপে জন সম্পর্কই ক্রিয়া কৰি থাকে, এনে ধৰণৰ বাতৰি প্রচাৰ কৰি, অনুষ্ঠানটোত জড়িত থকা ৰাইজে সংস্থাটোৰ নীতিবোৰ বুজাত সহায় কৰে।

সেয়ে জন সম্পর্কৰ কাম-কাজবোৰে ইয়াকে বুজায় যে ই অনুষ্ঠানটো আৰু ইয়াৰ অংশীদাৰসকলৰ মাজত শুভেচ্ছা আৰু সুসম্পর্ক বজাই ৰখাত সহায় কৰে। বিভিন্ন উৎসৰ দ্বাৰা অহা বাতৰিবোৰ বিলোৱাত জন সম্পর্কই কাম কৰি যায়। তদুপৰি অংশীদাৰসকলৰ (stalkholder) পৰা গ্রাহকসকললৈ জন সম্পর্কই বার্তা বহন কৰে। যি কোনো ধৰণৰ জন সম্পর্ক ৰক্ষী কর্মই অংশীদাৰসকলক জন সম্পর্কীয় বার্তাবোৰক প্রচাৰ কৰিবলৈ উৎসাহ দি থাকে। এই ক্ষেত্রত দুই মুখী সংযোগৰ প্রয়োজন হয় আৰু ৰাইজনৰ মতামত বোৰৰ সৈতে বুজা পৰা কৰা ক্ষেত্রত ই প্রযোজ্য হৈ পৰে।

৯.৩.১ জন সম্পর্ক-এক পদ্ধতি/ প্রণালী

জন সম্পর্কৰ ধৰণ বা চৰিত্রটোক বুজি পাবলৈ হ'লে আমি বুজিব লাগিব যে জন সম্পর্ক বিষয়টো হৈছে-এটা পদ্ধতি / প্রণালী অর্থাৎ বিচৰামতে ফল পাবলৈ এই পদ্ধতিটোত এলানি পৰিকল্পিত কার্য-কলাপ, সক্রিয়তা আৰু সাল-সলনিমূলক ব্যৱস্থা জড়িত হৈ থাকে। জন মার্ষ্টনে ৰচনা কৰা "দ্য নেচাৰ অৱ পাব্লিক ৰিলেশ্যন" নামৰ গ্রন্থখনত তেওঁ লিখিছে যে ই হৈছে এক 'সুসংগঠিত দৌৰ' বা (RACE) শব্দটোৱে বুজাইছে যে যি কোনো ধৰণৰ জন সম্পর্কীয় কাম-কাজত চাৰিটা মূল উপাদান জড়িত হৈ থাকে।

- **গৱেষণা** (research) ঃ সমস্যাটো কি আৰু বর্তমানৰ পৰিৱেশ কেনে ধৰণৰ
- **ক্রিয়া** (action) ঃ বর্তমানৰ সমস্যাটোৰ ক্ষেত্রত কি কৰিব পৰা যায়? লক্ষ্য হোৱা ৰাইজক শুদ্ধ বার্তা দিবৰ কাৰণে আঁচনি, পৰিকল্পনা কৰিব লাগিব।
- **সংযোগ** (communication) ঃ ৰাইজক কেনেকৈ বার্তাটো জনোৱা হ'ব?এই পর্যায়ত পৰিকল্পিত আঁচনি গঢ়ি তুলিব লাগিব।
- **মূল্যায়ন** (evaluation) ঃ বার্তাটো ৰাইজে পালেনে? বার্তাটোৱে ৰাইজৰ মাজত কেনে ধৰণৰ ক্রিয়া-প্রতি ক্রিয়া কৰিছে?

এই পদ্ধতিটোৱে জন সম্পর্ক ৰক্ষীসকলৰ ওচৰত ব্যাখ্যা আগবঢ়াব যে তেওঁলোকে গ্রাহক অথবা অনুষ্ঠান বা সংস্থাটোৰ কাৰণে বিভিন্ন উৎসৰ পৰা অহা একোটা সমস্যাক কেনেকৈ বুজাৰ বাবে চেষ্টা কৰিব লাগে আৰু একোটা সমস্যাৰ ভিতৰলৈ সোমাই তাক বুজাৰ চেষ্টা কৰিব লাগে। তাৰ ফলত সমস্যাটোৰ চৰিত্রক বুজি পাব পাৰি।তেওঁলোকৰ এনে অধ্যয়নে পৰিচালনা মণ্ডলী অথবা গ্রাহকসকলৰ কাৰণে কিছুমান লক্ষ্য, প্রশংসাসূচক বার্তাও নির্দ্ধৰণ কৰিব পাৰে। তাৰ ফলত একোটা

অনুষ্ঠানৰ পৰিচালক মণ্ডলী নতুবা গ্ৰাহকসকলে প্ৰয়োজন নীতিৰ বিকাশ সাধন, কাৰ্য-কলাপ আৰু সিদ্ধনাত গ্ৰহণ কৰিব পাৰে। জন সম্পৰ্কৰ ক্ষেত্ৰত কাম-কাজ কাৰ লোকসকলে এখন কৰ্মতালিকাৰ আচঁনি কৰি, তাৰ ফলাফল বোৰৰ বিষয়ে বিশ্লেষণ আগবঢ়াব পাৰে।

জন সম্পৰ্কক বুজিবলৈ আৰু ই যে এক দীৰ্ঘম্যাদী পদ্ধতি তাৰ উদাহৰণ দিবলৈ এটা সৰু ক্ষেত্ৰভিত্তিক অধ্যয়ন আগবঢ়োৱা হ'ল। ভাৰতীয় ধপাঁত কোম্পানী অনুষ্ঠানটোত (Indian Tobacco Company) এটা কৃষি ব্যৱসায় শাখা আছে আৰু কোম্পানীটোৰ সামাজিক দায়িত্ব পালন কৰিবলৈ ভাৰতবৰ্ষত এটা জন-সম্পৰ্ক ৰক্ষা কৰ্ম কৰে। ২০০০ চনত আই টি চি-য়ে (ITC) , কৃষি আৰু জলজ উৎপাদন দ্ৰব্যবোৰক ক্ৰয় কৰাৰ উদ্দেশ্যে ইণ্টাৰনেট যোগে কৃষকসকলৰ সৈতে পোন পটীয়া সংযোগ কৰাৰ উদ্দেশ্যৰে ই-চৌপাল (e-choupal) নামৰ এক আঁচনি আৰম্ভ কৰে। ক্ষুদ্ৰ ক্ষুদ্ৰ খণ্ডৰ কৃষি পামবোৰ, দুৰ্বল আন্তঃগাঠনি পূৰ্ণ আৰু মধ্যভোগী দালালেৰে গঠিত ভাৰতীয় কৃষিবিভাগটোৰ প্ৰত্যাহ্বানসমূহ ই-চৌপালে সমাধান কৰিছে। এই আচঁনিখনৰ মতে ভাৰতবৰ্ষৰ গ্ৰামীন অঞ্চলত ইণ্টাৰনেট সেৱা আগবঢ়াব পৰা কম্পিউটাৰবোৰ স্থাপন কৰা হ'ল যাতে, ব্যৱসায়িক আৰু কৃষিভিত্তিক বাতৰিবোৰ কৃষকসকলে তাৎক্ষণিকভাবে উপলব্ধ কৰি থাকিব পাৰে। দেশখনৰ বিভিন্ন কৃষি জীৱি অঞ্চলত আই টি চি (ITC) কোম্পানীয়ে ইণ্টাৰনে'ট সেৱাযুক্ত কম্পিউটাৰবোৰৰ যোগান ধৰাৰ ফলত খেতিয়কসলে তেওঁলোকৰ দ্বাৰা উৎপাদিত দ্ৰব্যবোৰৰ বিক্ৰীৰ ক্ষেত্ৰত আই টি চি (ITC) কোম্পানীৰ সৈতে পোন পটীয়া যোগাযোগ কৰিব পৰা হ'ল। অনলাইন সেৱাৰ সৈতে জড়িত হোৱাৰ ফলত কৃষকসকলে বজাৰ মূল্যৰ বাতৰিবোৰ পাবলৈ সক্ষম হৈ পৰিল আৰু কৃষি সম্পৰ্কীয় দ্ৰব্য যেনে বীজ আৰু সাৰৰ অৰ্ডাৰ দি আগতকৈ অধিক উত্তম ভাবে কৃষি কাৰ্য চলাই নিবলৈ সক্ষম হৈ পৰিল। উক্ত আচঁনিখনে খেতিয়কসকলৰ উৎপাদিত দ্ৰবৰ গুণাগুণ উন্নত কৰা আৰু পূৰ্বৰ তুলনাত অধিক মূল্য লাভ কৰাৰ কাৰণে খেতিয়কসকলৰ বাবে এক সহায়ক হৈ পৰিল। আই টি চি (ITC) কোম্পানীৰ থকা ইণ্টাৰনেট সেৱাক এজন সঞ্চালকে চলাই ৰাখে- এই সঞ্চালকজন হৈছে- এজন প্ৰশিক্ষণ প্ৰাপ্ত কৃষক বা খেতিয়ক। সেই কম্পিউটাৰ টোৰ সঞ্চালকজনৰ গৃহত ৰখা হয় আৰু তাত উপলব্ধ হোৱা ইণ্টাৰনেটৰ সংযোগক ফোন লাইন নতুবা টো (VSAT) সংযোগৰ সৈতে যুক্ত কৰি ৰখা হয়, e-choupal ৰ জৰিয়তে লাভ কৰা বা-বাতৰি আৰু জ্ঞান লাভ কৰাৰ বিনিময়ত কৃষকসকলে ধন পৰিশোধ কৰিব নালাগে কাৰণ এই আচঁনিৰ মূল নীতি হৈছে-বাৰ্তা সৰবৰাহ, কৃষকসকলক শক্তিশালী আৰু প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ নিজৰ ভাষাৰে জন সম্পর্কৰ ধৰণ।

.....

.....

.....

প্রশ্ন ২ ঃ জন সম্পর্ক বিষয়টো এটা পদ্ধতি নেকি? চমুকৈ বর্ণনা কৰক।

.....

.....

.....

৯.৪ জনসম্পর্কৰ সংজ্ঞা

জন সম্পর্কৰ বিষয়ে প্রকৃত অর্থ আৰু ই প্রকৃততে কি সূচায়- এই বিষয়ে দশকৰ পিছত দশক জুৰি অসংখ্য সংজ্ঞা দিয়া হৈছে। বর্তমান কোনো ব্যক্তিয়ে বুজি পায় যে আটাইতকৈ উত্তম বুলি গণ্য কৰা জনসম্পর্কই যি কোনো সমস্যাৰ সৈতে স্বচ্ছভাবে, ঘটনা সংক্রান্ত তথ্য সহকাৰে, নিখুতঁভাবে আৰু সততাৰ সৈতে প্রত্যাহ্বান জনায় আৰু তাৰ পাছত সেই সমস্যাক সমাধান কৰিবলৈ প্রয়োজনীয় কার্যপন্থা গ্রহণ কৰে। গতিকে আটাইতকৈ অধিক উত্তম জন সম্পর্ক হৈছে সামাজিক বিবেক সচেতনতাৰ এক নির্দিষ্ট প্রমাণ।

জন সম্পর্কৰ মাজত নিহিত থকা ভূমিকা হৈছে পৰিচালন কার্য কলাপ আৰু সংযোগ কার্যৰ সৈতে জনসম্পর্ক জড়িত হৈ থাকিব লাগে আৰু ইয়াৰ সৈতে পৰিচালক মণ্ডলীৰ সুনাম আৰু সু-সম্পর্ক জড়িত হৈ থাকে। বর্তমান আমি জনসম্পর্কীয় কিছুমান সর্বজনস্বীকৃত আৰু গ্রহণ যোগ্য সংজ্ঞাৰ বিষয়ে আলোচনা কৰিম। P R News (পি আৰ নিউজ) ৰ সংবাদ পত্রত জন সম্পর্কৰ সংজ্ঞা এনেকৈ দিয়া হৈছে- "জন সম্পর্ক হৈছে পৰিচালনা মণ্ডলীৰ কাম য'ত ই ৰাইজৰ মনোভাৱ বিশ্লেষণ কৰে, নীতিবোৰক চিনাক্ত কৰে আৰু ৰাইজৰ সহাঁৰি আৰু ধৈর্য লাভ কৰাৰ ক্ষেত্রত ই এখন আঁচনিক কার্যত পৰিণত কৰে"।

স্কট কাট্লিপ আৰু এলেন চেণ্টাৰৰ ৰচিত গ্রন্থ 'Effective Public Relations (ফলপ্রসু জন সম্পর্ক) খনত কোৱা হৈছে- "জন সম্পর্ক হৈছে পৰিচালক মণ্ডলীৰ কার্যকলাপ যাৰ সহায়ত সংস্থা আৰু বিভিন্ন ধৰণৰ ৰাইজৰ মাজত পাৰস্পৰিক উপকাৰী সম্পর্কবোৰ স্থাপন কৰা হয়, ইয়াৰ ওপৰতে সফলতা বা বিফলতা নির্ভৰ কৰে। " জেমচ্ ই গ্রানিগ আৰু ট'ড হাণ্টৰ মতে, "জন সম্পর্ক হৈছে এটা সংস্থা আৰু ইয়াৰ ৰাইজৰ মাজত বর্তি থকা এক সংযোগ ব্যৱস্থা।"

"ব্যৱসায়ৰ ধাৰা বিশ্লেষণ কৰা, তাৰ ফলাফল সম্পর্কীয় ভবিষ্যৎবাণী, সংস্থাৰ নেতৃস্থানীয়

লোকৰ সৈতে আলোচনা কৰা, কাম-কাজ সম্পর্কে কৰা আচঁনি প্রয়োগ কৰাৰ ক্ষেত্রত জন সম্পর্ক বিষয়টো হৈছে এক কলা আৰু বিজ্ঞানৰ সমন্বয় স্বৰূপ, জন সম্পর্কই সংস্থা আৰু ৰাইজ উভয়ৰে স্বার্থৰ হকে কাম কৰে।" ১৯৭৮ চনত মেক্সিকো মহানগৰীত অনুষ্ঠিত হোৱা ৩৪ টা জাতীয় জনসম্পর্কীয় অনুষ্ঠানৰ সম্মিলনত, উক্ত উক্তিটো ঘোষণা কৰা হৈছিল।

২০১২ চনত আমেৰিকাৰ জন সম্পর্ক ছচাইটিয়ে (Public Relations Society) আন এটা সংজ্ঞা দিয়ে- "জন সম্পর্ক হৈছে ৰণকৌশলী এক সংযোগ পদ্ধতি যি, এটা অনুষ্ঠান আৰু তাৰ সদস্যখিনিৰ পাৰস্পৰিক হিত সাধন হোৱা সম্পর্ক এটাৰ গঢ় দিয়ে।

যি কি নহওক, "বৃটিছ ইনষ্টিটিউট অৱ পাব্লিক অপিনিয়নে জন সম্পর্কৰ বিষয়ে দিয়া সংজ্ঞাটো বহুল ভাবে প্রচাৰিত হৈছে; সেই সংজ্ঞাটো হ'ল ঃ জন সম্পর্ক হৈছে সুস্থিৰ চিন্তা পৰিকল্পিত আৰু দীর্ঘ ম্যাদী প্রচেষ্টা যাৰ সহায়ত এটা অনুষ্ঠান আৰু ৰাইজৰ মাজত এক পাৰস্পৰিক বুজা-পৰা সংঘটিত হয়।

ওপৰোক্ত সকলো ধৰণৰ সংজ্ঞাই বুজাইছে যে জন সম্পর্ক হৈছে এটা দুই মুখী সংযোগ পদ্ধতি। এই পদ্ধতিত আছে অভিপ্রায়মূলক, উদগনিমূলক, সুসংগঠিত আচঁনি; এটা অনুষ্ঠান আৰু ইয়াৰ সদস্য সকলৰ মাজত বুজা-পৰা চলাই ৰখাৰ এক প্রচেষ্টা।

৯.৪.১ জন সম্পর্ক হৈছে এটা পৰিচালন কার্য

এই সংজ্ঞাবোৰে জন সম্পর্কক এক পৰিচালন কার্য বুলিও বুজায়, মুঠৰ ওপৰত এক পেছাদাৰী জন সম্পর্কই এটা অনুষ্ঠান আৰু তাৰ অংশীদাৰসকলৰ স্বার্থৰ হকে কাম কৰে। অংশীদাৰসকল হৈছে বিভিন্ন ধৰণৰ জনতা। "আর্ন্তজাতিক ব্যৱসায় সংযোগ সংস্থা (IABC: The International Association of Business Communicator), ১৯৮৭ চনত জন সম্পর্ক আৰু সংযোগ পৰিচালনাৰ ওপৰত এটা সুন্দৰ অধ্যয়ন চলাই গম পাইছিল যে যি কোনো সংস্থা বা অনুষ্ঠানৰ ফলপ্রসূ জনসম্পর্কবোৰ হ'ল যাৰ সৈতে অনুষ্ঠানটোৰ এক সক্রিয় মিত্রতা আছে। অনুষ্ঠানটোৰ পৰামর্শদাতা হ'বলৈ সক্ষম হোৱ একাংশ ব্যক্তিৰ কথাকে ইয়াত বুজোৱা হৈছে। পৰিচালক মণ্ডলীৰ জ্যেষ্ঠ সকলৰ সৈতে জন সম্পর্ক ৰক্ষা দলটোৰ পোনপটীয়া সম্পর্ক স্থাপনৰ ক্ষেত্রত গুৰুত্ব দিয়া হয়, জন সম্পর্কইহে পৰিচালন মণ্ডলীত মানৱীয় তথ্যবোৰৰ যোগান ধৰে। যেতিয়ালৈকে উচ্চ স্তৰৰ পৰিচালক মণ্ডলীয়ে জন সম্পর্ক বিভাগটোক, অনুষ্ঠানটোৰ এটা অতি প্রয়োজনীয় অংশ বুলি গণ্য নকৰে, তেতিয়ালৈকে জন সম্পর্কৰ লক্ষ্যবোৰ পূৰণ নহ'ব।

জন সম্পর্ক বিষয়টোৰ পিতৃ স্বৰূপ বুলি গণ্য কৰা এডোৱার্ড বার্ণেইজে কৈছিল যে " জন সম্পর্ক বিষয়টো পৰিচালক মণ্ডলীৰ কাম-কাজৰ ভিতৰত পৰে। জন সম্পর্কই ৰাইজৰ মনোভাৱ নিৰীক্ষম কৰে। নীতি-নিয়ম ; কর্ম-পদ্ধতি আৰু স্বার্থ বজাই ৰখা কার্যক নিৰূপণ কৰে। তাৰ পিছতহে ৰাইজৰ বুজা-পৰা আৰু গ্রহণযোগ্যতা অর্জন কৰাৰ কাৰণে আচঁনি একোখন কার্যকৰী কৰি তোলে।

৯.৪.২ জন সম্পর্কৰ বা জনগোষ্ঠী জনতা/ ৰাইজ

জন সম্পর্ক বিষয়টো জনতা বা ৰাইজ হৈছে কোনো এক বিশেষ পৰিৱেশৰ মাজত একে ধৰণৰ চিন্তা-চর্চা কৰা এটা দল। অংশীদাৰসকল হৈছে একোটা অনুষ্ঠানৰ খুটাৰ দৰে অথবা অনুষ্ঠানটোৰ কাৰণে একোটা সংকটজনক সমস্যাৰ দৰে, সেই কাৰণে সকলো অংশীদাৰেই হ'ল ৰাইজ। জনতা; পিছে সকলো ৰাইজ বা জনতা কিন্তু অংশীদাৰ নহয়, এই শ্ৰেণীভুক্ত ৰাইজে পৰিচালনা মণ্ডলীক উৎস বোৰক উত্তমভাবে ব্যৱহাৰ কৰাত সহায় কৰে। জন সম্পর্ক বিভাগটোৱে জনতাক দুই ধৰমে বিভাজিত কৰে: আন্তঃবিভাগ বা আভ্যন্তৰীণ জনগোষ্ঠী আৰু বৰ্হি বিভাগ বা বাহ্যিক। আন্তঃ বিভাগত থকা জনতাই পোনপটীয়াকৈ অনুষ্ঠানটোৰ সৈতে সংযুক্ত হৈ থাকে। সেইবোৰৰ উদাহৰণ হ'ল- কর্মচাৰী, ইউনিয়ন, বোর্ডৰ সভ্যসকল, পৰিচালকসকল, অংশীদাৰসকল ইত্যাদি। বর্হিবিভাগৰ ব্যক্তিসকল বা বাহ্যিক জনগোষ্ঠী হৈছে চৰকাৰ, সমাজ, সংবাদ মাধ্যম, অন্যান্য এজেন্সিবোৰ। প্রকৃত গৱেষণাত ৰাইজৰ বাবে অধিক গুৰুত্বপূর্ণ প্রয়োজনীয়তাক বুজিবলৈ চেষ্টা কৰা হয়। সাধাৰণ আনুমানিক গৱেষণাৰ যদি সম্ভাৱনাপূর্ণ জনতাক লক্ষ্য কৰি লয় তেনে ক্ষেত্রত সুনাম গঢ়াৰ ক্ষেত্রত বৃহৎ ক্ষতিসাধন কৰে। জন সম্পর্ক ৰক্ষীসকলৰ ওপৰত ৰাইজৰ প্রতি গৰাকীৰে মনত সংবেদনশীল মনোভাৱ গঢ়ি তোলাৰ বাবে এক গুৰুত্বপূর্ণ দায়িত্ব থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ জনসম্পর্কৰ সংজ্ঞা লিখক।

.....

.....

.....

প্রশ্ন ৪ ঃ জনসম্পর্কৰ এক "পৰিচালক মণ্ডলীৰ কাম" নে কি? ব্যাখ্যা কৰক-

.....

.....

.....

৯.৫ জন সম্পর্কৰ লক্ষবোৰ / উদ্দেশ্যবোৰ

যি কোনো অনুষ্ঠানতে থকা জনসম্পর্ক বিভাগটোৰ মূল লক্ষ্য হৈছে আন্তঃ বিভাগ আৰু বহিঃ বিভাগত থকা মুখ্য মানুহবোৰক চিনাক্ত কৰা। এই মুখ্য মানুহ ব্যক্তিসকল হ'ল-যাৰ সৈতে

অনুষ্ঠানটোৱে ফল প্ৰসূভাবে কাম-কাজ চলায় আৰু তাৰ লগতে এওঁলোকৰ সহযোগিতাত অনুষ্ঠানটোৰ বিকাশ সাধন কৰে আৰু অনুষ্ঠানটো আৰু চিনাক্ত হোৱা লোকসকল উভয়ৰে উপকাৰত অহা সম্পৰ্ক এটা স্থাপন কৰে। জন সম্পৰ্ক বিভাগৰ কিছুমান নিদিষ্ট লক্ষ্য তলত দিয়া হ'ল ঃ

- **দীৰ্ঘম্যাদী সম্পৰ্ক আৰু সুনাম স্থাপন কৰাঃ** জন সম্পৰ্ক বিভাগটোৱে পৰিচালক মণ্ডলীৰ হৈ সংযোগ কাৰ্য-কলাপবোৰ চলাই থাকে আৰু অনুষ্ঠানটোৰ সুনাম উন্নত কৰা আৰু অনুষ্ঠানটোৰ সৈতে ৰাইজৰ সুসম্পৰ্ক বজাই ৰখাৰ কাৰণে যত্নবান হয়।
- **অৰ্ন্ত বিভাগ আৰু বহিৰ্বিভাগৰ ব্যক্তিসকলৰ সমৰ্থন চলনশীল কৰে ঃ** জন সম্পৰ্কই জনতাক অনুষ্ঠানৰ লক্ষ্য পূৰণৰ দিশে আগবঢ়াত সহায় কৰে। তদুপৰি জন সম্পৰ্কই অনুষ্ঠান বা সংস্থাৰ মাজৰ সংযোগ গাঢ় বা ওচৰ চপাবলৈ যত্ন কৰে। অনুষ্ঠানটোৰ বা-বাতৰিৰ প্ৰতি সচেতন ৰাইজ কিছুমান সৃষ্টি কৰে, যিসকলে অনুষ্ঠানটোৰ প্ৰতি সমৰ্থন, সহাঁৰি জনায় আৰু অনুষ্ঠানটো সুচাৰুৰূপে চলাৰ ক্ষেত্ৰত সহায় আগবঢ়ায়। জন সম্পৰ্কই অনুষ্ঠানটোত উৎপাদিত হোৱা দ্ৰব্যবোৰৰ ব্যৱহাৰ আৰু সেই দ্ৰব্যবোৰৰ উৎকৃষ্ট সেৱাৰ বিষয়ে জনাই থাকে।
- **ৰাইজৰ মনোভাৱ বিশ্লেষণঃ** এটা অনুষ্ঠান আৰু জনতাৰ মাজত সুসম্পৰ্ক স্থাপন কৰিবলৈ হ'লে জন সম্পৰ্ক ৰক্ষীসকলে ৰাইজৰ দৃষ্টিভংগী আৰু মনোভাৱ বুজি পোৱাটো বৰ গুৰুত্বপূৰ্ণ বিষয়। একোটা সমস্যা বা সংকটপূৰ্ণ অৱস্থাৰ সমাধান কৰা, ধনাত্মক ভাৱমূৰ্তি গঢ়ি তোলা, অথবা ধনাত্মক দৃষ্টিভংগীক সবল কৰি তুলিবৰ কাৰণে পেছাদাৰী জন সম্পৰ্কৰক্ষী পৰিস্থিতিৰ এক বিশদ বিশ্লেষণ কৰাটো বৰ প্ৰয়োজনীয় কথা; তাৰ পিছতহে কোনো সমস্যা সমাধান কৰিবলৈ এখন আঁচনি কৰা নতুবা প্ৰতিৰোধী ব্যৱস্থা প্ৰয়োগ কৰিবলৈ আগবঢ়া উচিত।
- **শুদ্ধ বাতৰি প্ৰচাৰঃ** ৰাইজৰ মাজত অনুষ্ঠানটোৰ প্ৰতি সমৰ্থন আৰু সুন্দৰ ভাৱমূৰ্তি গঢ়ি তোলাৰ লক্ষ্যৰে জন সম্পৰ্কৰক্ষীসকলে অনুষ্ঠানটোৰ বিষয়ে মুল্যবান বাতৰি সৰবৰাহ কৰাটো এক প্ৰয়োজনীয় কাৰ্য। তাৰ ফলত ৰাইজে বা জনতাই অনুষ্ঠানটোৰ কাম-কাজ আৰু ইয়াৰ লক্ষ্য, কাৰ্য সাধন আদিৰ বিষয়ে জানিব পাৰে। নতুন সভ্যসকল, দৰ্শনাৰ্থী, আগ্ৰহী গ্ৰাহকসকল ৰু সংবাদ-মাধ্যমবোৰৰ কাৰণে জন সম্পৰ্ক বিভাগটো সকলো ধৰণৰ বাতৰিৰ উৎস হোৱা উচিত, এনেকৈয়ে জন সম্পৰ্ক বিভাগটোৱে অনুষ্ঠানটোৰ সক্ৰিয় আৰু কাৰ্য-কলাপবোৰৰ বিষয়ে এখন ভাল ছবি ৰাইজৰ মাজত প্ৰচাৰ কৰিব পাৰে ।
- **অৰ্ন্তবিভাগ সংযোগক আদৰণিঃ** যি কোনো অনুষ্ঠানে সুস্তিৰভাবে কাম-কাজ চলাবৰ কাৰণে অন্তবিভাগ বা ভিতৰুৱা বিভাগৰ সৈতে সংযোগ ৰখাটো বৰ ডাঙৰ আৰু ব্যতিক্ৰমি ঘটনা। জন সম্পৰ্কৰক্ষীসকলে অনুষ্ঠানটোৱে তৈয়াৰ কৰা জনসম্পৰ্কীয় আঁচনি সম্পৰ্কে সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে, পৰামৰ্শ আগবঢ়োৱাৰ লগতে অন্তবিভাগৰ সংযোগবোৰৰ বাবে আচৰণ বিধি পৰিচালনা কৰাত জড়িত হোৱা উচিত। পৰিচালক মণ্ডলীৰ শীৰ্ষ বিষয়াৰ সৈতে মিটিং নিয়োগকৰ্তা আৰু কৰ্মচাৰীৰ মাজত সংযোগ ৰক্ষা, সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰা কাৰ্যবোৰ জন সম্পৰ্ক বিভাগটোৱে অনুষ্ঠানটোৰ ভিতৰত কৰিব পৰা কাৰ্যৰ ভিতৰত পৰে।
- **জনসম্পৰ্কৰ আহিলাৰ বিকাশঃ** ভিন ভিন বাতৰি বিভিন্ন ধৰণৰ ৰাইজৰ মাজত প্ৰচাৰ কৰিবলৈ

জন সম্পর্ক বিভাগে ভিন ভিন প্রকাৰৰ আহিলাক ব্যৱহাৰ কৰে। জন সম্পর্কৰক্ষীসকলৰ প্রধান উদ্দেশ্য হৈছে তেওঁলোকে লক্ষ্য কৰা জনতাই বাতৰিটো জানিবৰ কাৰণে উপযুক্ত আহিলাক বাচি লৈ তাৰ বিকাশ সাধন কৰিব লাগিব, বৰ্হি বিভাগৰ জনতা, উদাহৰণ স্বৰূপে সংবাদ মাধ্যমবোৰৰ কাৰণে জনসম্পর্কৰক্ষী সকলে সংবাদ মেল বা সংবাদ ছপা কৰা। বাতৰি সম্বলিত পুস্তিকাৰ বিকাশ, সংবাদ পত্রিকা, নিউজ লেটাৰ আৰু ঘৰুৱা পত্রিকাৰ সহায় ল'ব পাৰে। এনে ধৰণৰ আহিলাই নতুন সভ্যসকলক অনুষ্ঠানটোৰ প্রাথমিক বাতৰিবোৰ জনাৰ ক্ষেত্রত সহায় কৰে।

- **সমন্বয় ৰক্ষাঃ** জন সম্পর্ক বিভাগটো যদিও এটা পৃথক বিভাগ, তথাপিও ই কিছুমান ক্ষেত্রত যেনে- বিজ্ঞাপন আৰু বজাৰখনৰ লগত সমন্বয় বজাই ৰখাৰ প্রয়োজন আৰু ইটোৱে সিটোৱে সহায়ক বা অবলম্বন হোৱা উচিত। এনে ধৰণৰ বুজা-পৰাই এখন সন্মিলিত বজাৰৰ সৃষ্টি কৰে। জনসম্পর্ক বিভাগটোৱে যদি তেওঁলোকৰ ৰাইজৰ সৈতে বিশ্বাস ভাজন হোৱাটো প্রয়োজনীয় বুলি ভাবে, তেন্তে তেওঁলোকে আনবোৰ ক্ষেত্রত কৰাৰ দৰে, এই ক্ষেত্রতো একে ধৰণে কামবোৰ চলাই নিব লাগে। সমন্বয় থকাৰ বাবে বাতৰিবোৰৰ মাজত মিল তাকে, দৃঢ় হয়, ভাল সংযোগ ব্যৱস্থাই ভিন ভিন বাতৰিৰ ঠাইত এটা বাতৰি অর্থাৎ এটা কণ্ঠহে প্রচাৰ কৰে। উপযুক্ত শুদ্ধ মাধ্যমৰ মাজেৰে শুদ্ধ বাতৰি প্রচাৰ কৰিলে তাৰ ফলাফল শুদ্ধ হয়।

৯.৬ জনসম্পর্কৰ সুযোগ / সুবিধা

বর্তমান কোনো অনুষ্ঠানৰ যিকোনো ক্ষেত্রতে ভাল ভাবমূর্তি আৰু সুনাম গঢ়ি তোলাৰ ক্ষেত্রত জন সম্পর্কই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তদুপৰি জন সম্পর্ক বিষয়টো কেৱল অনুষ্ঠানটোৰ মাজতে সীমিত হৈ নাথাকে। ই এজন বা বহুজনৰ নিজ নিজ ক্ষেত্রবোৰতো বৰঙণি আগবঢ়ায়। চৰকাৰ বা ৰাজহুৱা বিভাগটো জন সম্পর্ক বর্তি থাকে। এইবোৰ দিশে প্রমাণ কৰে যে জন সম্পর্ক বিষয়টোত থকা সুযোগ সুবিধাৰ ক্ষেত্রখন বহল আৰু প্রত্যাহ্বানমূলক।

জনসম্পর্কই বিভিন্ন উদ্যোগত কিছুমান বিশেষ ধৰণৰ কাম-কাজৰ সৃষ্টি কৰে, উদাহৰণ স্বৰূপে ডাঙৰ কোম্পানীবোৰত (Corporation) তেওঁলোকৰ নিজাকৈ জনসম্পর্কৰক্ষী বিভাগ থাকে, এই বিভাগটোৱে নানা ধৰণৰ পদৱীৰ সৃষ্টি কৰে, যেনে-আন্তঃসংযোগকাৰী বিষয়া, জন সম্পর্কৰক্ষী বিষয়া, হিচাপপৰিচালক,সংযোগকাৰী পৰিচালক, বহিঃসংযোগকাৰী পৰিচালক,মাধ্যম সম্পর্কীয় বিষয়া, প্রচাৰ আৰু বাতৰি বিষয়ক বিষয়া, সমাজ সম্পর্কৰক্ষী বিষয়া, পৰিচালক মণ্ডলীৰ উপদেষ্টা ইত্যাদি। এইবোৰে সূচায় যে জনসম্পর্ক বিষয়টোৱে কিমানখিনি নিজৰ বহল ছাতিটোৰ তলত সামৰি লৈছে যদিও জনসম্পর্কৰ কাম-কাজবোৰ এক বিশেষ সীমাৰ ভিতৰতে আৱদ্ধ হৈ থাকে। এনে কিছুমান অনুষ্ঠানো আছে যিবোৰে জনসম্পর্ক মূলক কাম-কাজৰ দায়িত্ববোৰ নিজেই সম্ভালি থাকে।

জন সম্পর্কৰক্ষীসকলে তেওঁলোকৰ পেছাদাৰী ক্ষেত্রত নিজকে কিমান ধৰণে নিয়োগ কৰিব পাৰিব, তাৰ এখন তালিকা PRSA ফাউণ্ডেচনে প্রস্তুত কৰিছে। এই তালিকাত অন্তর্ভূক্ত হোৱা

উপাদানবোৰে জন সম্পর্কৰক্ষীত কাম কৰিবলৈ অহা প্ৰাৰ্থী অথবা ন-শিকাৰুসকলে নিজকে কোনটো কামৰ কাৰণে যোগ্য হ'ব, সেই বিষয়ে জানিব পাৰিব। পিছে তলত উল্লেখ কৰা অনুষ্ঠাবোৰ নিজৰ চহৰখনত আছে নে নাই, সেই সম্পৰ্কে প্ৰাৰ্থীসকলে জানি ল'ব লাগিব।

উপাদানবোৰৰ তালিকাঃ

- পৰামৰ্শ বিভাগ
- গৱেষণা
- মাধ্যম সম্পৰ্ক আৰু প্ৰচাৰ
- আন্তঃ সম্পৰ্ক (কৰ্মচাৰী আৰু সদস্য সকল)
- সামাজিক সম্পৰ্ক
- বহিঃসংযোগ
- চৰকাৰী বিষয় আৰু ৰাজহুৱা বিষয়
- পৰিচালক মণ্ডলীৰ (Lobbying) বিচাৰ্য বিষয়
- অৰ্থনৈতিক আৰু ঔদ্যোগিক সম্পৰ্ক
- বজাৰ সংযোগ আৰু কোম্পানীৰ (Corporate) সংযোগবোৰ
- বিকাশ

বিভিন্ন উদ্যোগত নিজাকৈ জনসম্পৰ্কৰক্ষী বিভাগ থাকিলেও বিভিন্ন অনুষ্ঠান, উদ্যোগ অথবা ব্যক্তিগত জনসম্পৰ্কৰক্ষী বিভাগ থকিলেও গোলকীয়ভাবে এমে কিছুমান জন সম্পৰ্ক বিষয়ক অনুষ্ঠান আছে যিবোৰে আন অনুষ্ঠান বা ব্যক্তিগত জন সমপৰ্কীয় বিভাগবোৰক তদাৰক কৰে। পৃথিৱী বিখ্যাত জন সম্পৰ্ৰক্ষী অনুষ্ঠানবোৰৰ নাম হৈছে- এডেলমেন (Edelman), এম এছ এল গ্ৰুপ (MSL Group), বাৰ্ছন ক'ল এণ্ড উলফে (Burson Cohn & Wolfe), ডি ডি বি ৱৰ্ল্ডৱাইড (DDB Worldwide), পাৰ্ব্লিছিক্ গ্ৰুপে (Publicis Groups), অগিল্ভি পি আৰ (Ogilvy PR), কে'টচুন (Ketchun) আদিৰ দৰে আন বহুত অনুষ্ঠান আছে।

২০১৮ চনত পাব্লিক ৰিলেচনছ কনচাল্টটেণ্টছ এছ'চিয়েছন অৱ ইণ্ডিয়া (Public Relations Consultants Association of India) নামৰ সংস্থাটোৱে দিয়া এক বিশদ বিবৃতিত লিখিছে জন সম্পৰ্ক উদ্যোগৰ মূল্য ২০২০ চনত INR 2100 কোটি হ'বগৈ অৰ্থাৎ বৰ্তমানৰ বৰ্জাৰ খনৰ তুলনাত ই দুগুণ হ'বগৈ। জন সম্পৰ্কৰ প্ৰচাৰ আৰু কাৰ্যকলাপবোৰ ভৰিষ্যতে বাঢ়ি যাব কিন্তু সামাজিক মাধ্যম সংখ্যা বিষয়ক (Digital) আৰু বিষয়- বস্তুকে প্ৰচাৰবোৰে প্ৰায় ২৫ শতাংশ ৰাজহ আৰ্জন কৰিব। বিবৃতিটোত এইটোও কোৱা হৈছে যে বাতৰি আৰু সংযোগ কাৰিকৰী খণ্ডবোৰে জন সম্পৰ্ক উদ্যোগটোলৈ সামগ্ৰকভাবে আৰ্জন কৰ ৰাজহত ২০ শতাংশ বৰঙণি দিব। আৰ্থিক সেৱাই ১২ শতাংশ আৰু দ্ৰুত গতিৰে বাঢ়ি অহা উপভোক্তা দ্ৰব্য বিভাগে জন সম্পৰ্ক বিভাগলৈ শতকৰা ৯ শতাংশ বৰঙণি আগবঢ়াব। ভাৰতবৰ্ষৰ জনসমপৰ্কৰক্ষী অনুষ্ঠান যেনে- এডফেক্টৰছ (Adfactors) পাৰ্ফেক্ট ৰিলেচনছ (Perfect Relation), প্ৰেক্টিছ (Practice) ,ৱেগেনাৰ এডষ্টৰ্ম (Waggener Edstorm), কেটচ্ন ছমৰ্পক (Ketchun Sampark)

গলিন অপিনিয়ন (Golin Openion) আদিয়েই হৈছে বাকীবোৰৰ মাজত প্ৰভাৱাশালী অনুষ্ঠান।



অনুশীলনী

আন কিছুমান জনসম্পৰ্ক ৰক্ষী (PR)অনুষ্ঠান বিচাৰি লোৱা আৰু তেওঁলোকে কি কামত নিযুক্ত হৈ আছে, লিখা। ভাৰতবৰ্ষৰ PR অনুষ্ঠানৰ সৈতে সংযুক্ত হৈ পৰা অথবা ভাৰতবৰ্ষত শাখা থকা আন্তৰ্জাতিক জনসম্পৰ্কৰক্ষী) অনুষ্ঠানবোৰ বিচাৰি উলিওৱা।



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই গোটটোৰ কিছুমান গুৰুত্বপূৰ্ণ বিষয়ক সংক্ষেপত তলত দিয়া ধৰণে বুজো আহকঃ

- জন সম্পৰ্ক বিভাগটোৰ দুই মুখী সংযোগবোৰ হৈছে- স্থিৰ চিন্তাযুক্ত, পৰিকল্পিত, দীৰ্ঘম্যাদী, এইবোৰৰ সহায়ত এটা অনুষ্ঠান আৰু তাৰ ৰাইজৰ মাজত পাৰস্পৰিক মূল্য থকা সম্পৰ্কক গঢ়ি তোলা হয়।
- জন সম্পৰ্ক হৈছে এটা পদ্ধতি যি চাৰিটা উপাদানৰ সৈতে জড়িত; সেইবোৰ হৈছে RACE অৰ্থাৎ গৱেষণা (Research) কৰ্ম(Action), সংযোগ (Communication) মূল্যায়ন (Evaluation)
- জনসম্পৰ্ক বিষয়টোক এক নীতি সমৃদ্ধ সংযোগ পদ্ধতি বুলি সংজ্ঞা দিব পাৰি,যি অনুষ্ঠান আৰু ৰাইজৰ মাজত পাৰস্পৰিক লাভজনক সম্পৰ্ক গঢ়ি তুলিব পাৰে।
- জন সম্পৰ্ক হৈছে এক পৰিচালনা কাৰ্য , কাৰণ ই অনুষ্ঠানটোক লক্ষ্যত উপনীত হোৱাত সহায় কৰে।
- জন সম্পৰ্ক বিভাগটোৰ কাৰণে ৰাইজ বা জনতা হৈছে এনে ধৰণৰ দল ,যাৰ কোনো পৰিস্থিতিত একে ধৰণৰ স্বাৰ্থ নিহিত হৈ থাকে, অংশীদাৰসকল হৈছে এক অনুষ্ঠানৰ বাবে গোজঁ বা সমস্যা যাৰ সৈতে অনুষ্ঠানটো জড়িত হৈ থাকে। সেয়ে সকলো অংশীদাৰকে ৰাইজ বুলিব পাৰি কিন্তু সকলো ৰাইজকে অংশীদাৰ বুলি ক'ব পৰা নাযায়। ৰাইজ দুটা ধৰণে ভগাব পাৰি অৰ্ন্তভাগ আৰু বৰ্হি ভাগ বা অভ্যন্তৰীণ আৰু বাহ্যিক জনগোষ্ঠী।
- অৰ্ন্তভাগত থকা ৰাইজখিনি পোন পটীয়াভাৱে অনুষ্ঠানটোৰ সৈতে জড়িত হৈ থাকে। আনহাতে, বহিঃভাগত থকা ৰাইজখিনি অনুষ্ঠানটোৰ সৈতে জড়িত নাথাকিলেও অনুষ্ঠানটোৱে গ্ৰহণ কৰা সিদ্ধান্ত আৰু কৰ্মপন্থাৰ দ্বাৰা প্ৰভাৱিত হয়। সেয়েহে তেওঁলোকক অনুষ্ঠানটোৰ কাৰণে এক গুৰুত্বপূৰ্ণ দিশ বুলি বিবেচনা কৰা হয়।


- জন সম্পর্কৰ উদ্দেশ্য বা লক্ষ্যবোৰ হৈছে ৰাইজৰ দৃষ্টিভংগী / মনোভাৱক বিশ্লেষণ কৰা, শুদ্ধ, নিখুঁত বাতৰি প্ৰচাৰ কৰা, অন্তঃভাগ ৰু বহিঃভাগৰ ৰাইজৰ সমৰ্থন লাভ কৰা, দীৰ্ঘম্যাদী সম্পৰ্ক আৰু সুনাম স্থাপন, অন্তঃভাগ সংযোগ বৃদ্ধি, জনসম্পৰ্কৰক্ষী আহলা বোৰৰ বিকাশ আৰু পোষক সমন্বয়ৰ সৃষ্টি কৰা।
- জন সম্পৰ্কৰক্ষী বিষয়টোত সুযোগ, সুবিধাবোৰ যথেষ্ঠ আছে। কাৰণ প্ৰতিটো অনুষ্ঠান বা কোম্পানীয়ে পেছাদাৰী যোগ্যতা সম্পন্ন আৰু সক্ৰিয় পেছাদাৰী জনসম্পৰ্কৰক্ষী বিভাগ বিচাৰে যাতে ই তেওঁলোকৰ ভাবমূৰ্তি, সুনাম আৰু পৰিচালনাৰ প্ৰশংসা হোৱাটো বিচাৰে, PRSA প্ৰস্তুত কৰা তালিকাখনত জনসম্পৰ্কৰক্ষীৰ বিভিন্ন কাম-কাজৰ বাবে কেইবাটাও উপাদান /বিষয় দিয়া হৈছে।



৯.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

- Wilcox, Dennis, Cameron, Glen, Reber, Bryan (2015). Public Relations: Strategies and Tactics. Eleventh Edition. Essex: Pearson.
- Newsom, Doug, Turk V, Judy, Kruckeberg, Dean (2000). This is PR: The Realities of Public Relations. Seventh Edition. Singapore: Wadsworth Thomson Learning.



৯.৯ অগ্ৰগতিৰ খতিয়ান

১। নং প্ৰশ্নৰ উত্তৰঃ জন সম্পৰ্কৰ প্ৰকৃতিয়ে ব্যাখ্যা কৰে যে ই এটা পদ্ধতি প্ৰণালী- যি একোটা অনুষ্ঠান আৰু ইয়াৰ অংশীদাৰসকলৰ মাজত এক শুভেচ্ছা আৰু সুসম্পৰ্ক স্থপন কৰে। বাতৰি প্ৰচাৰৰ জৰিয়তে এই পদ্ধতিটো গ্ৰহণ কৰা হয়। তাৰ লগতে অংশীদাৰসকলৰ প্ৰাপ্ত বাতৰিকো জন সম্পৰ্কৰক্ষীয়ে গ্ৰাহকসকলক যোগান ধৰে। যি কোনো ধৰণৰ জনসম্পৰ্কীয় কাম-কাজে অংশীদাৰসকলক জনসম্পৰ্কই প্ৰচাৰ কৰা বাতৰিৰ হকে ওকালতি অথবা অনুমোদন কৰাৰ হকে ওকালতি অথবা অনুমোদন কৰাৰ হকে অনুপ্ৰাণিত কৰে। দুইমুখী সংযোগৰ প্ৰয়োজন হয় আৰু ই ৰাইজৰ মতামত বিচৰাৰ ক্ষেত্ৰত প্ৰযোজ্য হয়।

২। নং প্ৰশ্নৰ উত্তৰঃ জন মাৰ্ষ্টনে (John Marston) তেওঁৰ ৰচিত গ্ৰন্থ " দ্য নেচাৰ অৰ পাব্লিক

ৰিলেচনছ" (The Nature of Public Relations) নামৰ গ্ৰন্থত এক বিশেষধৰণৰ দৌৰৰ (Acrnym RACE) বিষয়ে উল্লেখ কৰিছে সেই বিশেষ দৌৰৰ মতে যি কোনো জন সম্পৰ্কীয় কাৰ্যকলাপৰ কাৰ্যকলাপৰ চাৰিটা মূল উপাদান থাকেঃ গৱেষণা, কাৰ্য কলাপ, সংযোগ আৰু মূল্যায়ন (Research Activity, Communication, Evaluation)

৩। নং প্ৰশ্নৰ উত্তৰঃ জনসম্পৰ্কত ইচ্ছাকৃত, পৰিকল্পিত আৰু দীৰ্ঘম্যাদী প্ৰচেষ্টা জড়িতথাকে, যাৰ সহায়ত এটা অনুষ্ঠান আৰু তাৰ ৰাইজৰ মাজত পাৰস্পৰিক বুজা-পৰা প্ৰতিষ্ঠা কৰা হয়।
৪। নং প্ৰশ্নৰ উত্তৰঃ জনসম্পৰ্ক হৈছে পৰিচালকৰ কাৰ্য কলাপ; ই ৰাইজৰ দৃষ্টিভংগী/ মনোভাৱ, নীতিৰ সংজ্ঞা, কাৰ্যপদ্ধতি আৰু এটা অনুষ্ঠানৰ স্বাৰ্থৰ প্ৰতি দৃষ্টি ৰাখে আৰু তাৰ পিচত ৰাইজৰ বুজা-পৰা আৰু গ্ৰহণযোগ্যতা অৰ্জন কৰিবলৈ কিছুমান কৰ্ম আঁচনি কাৰ্যকৰী কৰিবলৈ চেষ্টা চলায়।



৯.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

প্ৰশ্নঃ ১। ই চৌপাল কি?

প্ৰশ্নঃ ২। আন্ত বিভাগৰ জনতা বা আভ্যন্তৰীণ জনগোষ্ঠী মানে কি?

(খ) চমু প্ৰশ্ন- (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্নঃ ১। জনসম্পৰ্কই কিহক বুজায়? জনসম্পৰ্কীয় পদ্ধতিৰ বিষয়ে ব্যাখ্যা কৰক।

প্ৰশ্নঃ ২। জনসম্পৰ্কৰ যি কোনো দুটা সংজ্ঞাৰ ব্যাখ্যা কৰক।

প্ৰশ্নঃ ৩। জনসম্পৰ্কত কোনোবোৰ লোকক ৰাইজ /জনতা বুলি কোৱা হয়? বৰ্ণনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্নঃ ১। জনসম্পৰ্কৰ বিভিন্ন উদ্দেশ্য লক্ষ্যৰ বিষয়ে ব্যাখ্যা কৰক।

প্ৰশ্নঃ ২। ভাৰতবৰ্ষৰ ক্ষেত্ৰত জনসম্পৰ্কৰ বিষয়ত থকা সুবিধা সুযোগবোৰৰ বিষয়ে ব্যাখ্যা কৰক।

****